**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-05-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে যোৰহাট-মাজুলী দলঙৰ বাবে নিবিদা প্ৰক্ৰিয়া মুকলি কৰিছে। ৬ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ দুইলেনযুক্ত এই দলংখনৰ নিৰ্মাণ ব্যয় আনুমানিক ৬০০ কোটি ৫১ লাখ টকা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰিছে। ড০ শৰ্মাই এই সদিচ্ছামূলক প্ৰয়াসৰ বাবে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

০০০০০০

মাজুলী জিলা মহিলা সবলীকৰণ কেন্দ্ৰ তথা মহিলা আৰু শিশু বিকাশ বিভাগৰ উদ্যোগত **বেটী বচাও বেটী পঢ়াও** আঁচনিৰ অধীনত দক্ষিণপাট কুমাৰগাঁৱত ঋতুস্ৰাৱৰ সময়ত পৰিষ্কাৰ-পৰিচ্ছন্নতা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত জিলা সমন্বয়ক মিত্ৰজ্যোতি কোঁৱৰে ঋতুস্ৰাৱৰ সময়ছোৱাত স্বাস্থ্য সজাগতাৰ বিভিন্ন দিশ সন্দৰ্ভত আলোকপাত কৰে। এই সভাতে মানসিক স্বাস্থ্য আৰু সচেতনতা সন্দৰ্ভতো আলোচনা কৰা হয়। সভাত জিলা আইন সেৱা প্ৰাধিকৰণ মাজুলীৰ মুখ্য আইনী প্ৰতিৰক্ষা অধিবক্তা বুদ্ধেশ্বৰ পামেগামে আইনী সেৱা প্ৰদান সন্দৰ্ভত সজাগতামূলক বক্তব্য আগবঢ়ায়।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী সন্মিলন মুকলি কৰিব। উত্তৰ-পূৰ্বাঞ্চলক সুযোগৰ ভূমি হিচাপে আলোকপাত কৰাৰ লগতে আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা বিনিয়োগ আকৰ্ষণ কৰাৰ উদ্দেশ্যে আয়োজন কৰা এই দুদিনীয়া সন্মিলনত মন্ত্ৰী পৰ্যায়ৰ সত্ৰ, বৈঠক,  ষ্টাৰ্ট আপ আৰু নীতি তথা বিনিয়োগত উদগনি যোগোৱাৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কীয় প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। এই সন্মিলনত ঘাইকৈ পৰ্যটন, আতিথ্য, কৃষি-খাদ্য প্ৰ-সংস্কৰণ আৰু আনুষংগিক খণ্ড, বস্ত্ৰ শিল্প, হস্ততাঁত, হস্তশিল্প, স্বাস্থ্য সেৱা, শিক্ষা আৰু দক্ষতা বিকাশ, তথ্য প্ৰযুক্তি, আন্তঃগাঁথনি, পৰিবহণ, শক্তি, মনোৰঞ্জন আৰু ক্ৰীড়া ক্ষেত্ৰৰ বিনিয়োগৰ প্ৰসাৰত গুৰুত্ব আৰোপ কৰা হ'ব।

এই দুদিনীয়া সন্মিলনেৰে পূৰ্বৰে পৰা অনুষ্ঠিত ৰোড শ্ব' আৰু ৰাজ্য চৰকাৰ সহযোগত কেন্দ্ৰীয় চৰকাৰে আয়োজন কৰা ৰাষ্ট্ৰদূতৰ বৈঠকৰো সামৰণি পৰিব।

০০০০০০

২০২৭-২৮ বিত্তীয় বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন ১০ লাখ কোটি টকালৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণৰ সৈতে এটা ফলপ্ৰসূ আলোচনাত মিলিত হৈ এই কথা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীক অসম চৰকাৰে ৰাজ্যৰ অৰ্থনৈতিক দিশটো শক্তিশালী কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰি অনাগত দিনত

ৰাজ্যখনত ৰূপায়ণ হ'বলগীয়া কেইবাটাও প্ৰকল্পৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁ বিশেষকৈ নামৰূপত নতুন সাৰ কাৰখানা স্থাপনৰ কাম শীঘ্ৰেই আৰম্ভ কৰাত গুৰুত্ব আৰোপ কৰে। ড০ শৰ্মাই কেন্দ্ৰীয় চৰকাৰে ৰাজ্যখনৰ বাবে প্ৰদান কৰা ধন সময়মতে মোকলাই দিয়াৰ বাবেও শ্ৰীমতী সীতাৰমণক অনুৰোধ জনায়। এই আলোচনাকালত ৰাজ্যখনৰ বিকাশৰ ৰূপৰেখাক প্ৰাধান্য দি দ্ৰুতগতিত উন্নয়নেৰে সমৃদ্ধ হোৱা দেশৰ আন ৰাজ্যসমূহৰ ভিতৰত অসমকো অন্তৰ্ভুক্ত কৰাৰ বিষয়ত আলোচনা কৰা হয়।

মুখ্যমন্ত্ৰী শৰ্মাই ইয়াৰ পূৰ্বে কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানক সাক্ষাৎ কৰি ৰাজ্যৰ শিক্ষা ব্যৱস্থা সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে মূলতঃ গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান, আই আই এমৰ চৌহদ কাৰ্যকৰী কৰাৰ সময়সীমাৰ বিষয়ে আলোচনা কৰে।

০০০০০০

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে কালি লখিমপুৰ জিলা পৰিদৰ্শন কৰি জিলাখনৰ গ্ৰাম্য উন্নয়ন বিভাগৰ আঁচনিসমূহৰ পৰ্যালোচনা কৰে। এই পৰ্যালোচনা সভাত তেওঁ খণ্ড উন্নয়ন বিষয়াসকলৰ পৰা বিভিন্ন আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ লগতে কামসমূহ খৰতকীয়াকৈ কৰিবলৈ নিৰ্দেশ দিয়ে। জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এই সভাত বিধায়ক মানৱ ডেকা, জিলা আয়ুক্ত প্ৰণৱজিৎ কাকতিৰ লগতে খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

০০০০০০

শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ মৰাসুতিত কালি নদুৱাৰ সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই গোৰ্খা ভৱনৰ আধাৰশিলা স্থাপন কৰে। বৃহত্তৰ উত্তৰ জামুগুৰিহাট অঞ্চলৰ গোৰ্খা ছাত্ৰ সন্থাৰ দীৰ্ঘ দিনীয়া দাবী পূৰণৰ অৰ্থে এই ভৱন নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে। গোৰ্খা উন্নয়ন পৰিষদৰ ১০ লাখ টকা পুজিৰে ভৱনৰ নিৰ্মাণ সম্পন্ন কৰা হ'ব। আধাৰশিলা স্থাপন অনুষ্ঠানত গোৰ্খা উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰেম তামাঙে বিশেষ অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত গোৰ্খা সমাজৰ বিভিন্ন দল-সংগঠনৰ বহু লোক উপস্থিত থাকে।

০০০০০০

অসমৰ ল'ৰাৰ দলে দমন আৰু দিউত চলি থকা প্ৰথম খেলো ইণ্ডিয়া বীচ্চ গেমছৰ ছেপাকটাক্ৰ'ত সোণৰ পদক অৰ্জন কৰিছে। দলটোৱে কালি ফাইনেলত দিল্লীক ১৭-১৪, ১৫-১৩, ১৫-১১ ফলাফলত পৰাস্ত কৰে। একেদৰে টিপু পাটিৰে পেনছাক চিলাটত ল'ৰাৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত ব্ৰঞ্জৰ পদক জয় কৰি ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনে। খেলুৱৈগৰাকী কালি ছেমি ফাইনেলত পৰাস্ত হয়। ইপিনে, পেনছাক চিলাটৰ ল'ৰাৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত প্ৰঞ্জল ৰাভা আৰু ছোৱালীৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত লাকী দাসে ফাইনেলত প্ৰবেশ কৰি পদক নিশ্চিত কৰিছে। ছোৱালী ৭৫ কিলোগ্ৰাম ওজন শাখাত খেম কুমাৰীয়েও ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে।

০০০০০০

সমাপ্ত